**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-06-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

**:::::::::::::::::::::::::::::::::::::::::::**

## Headlines

১। সমগ্ৰ দেশতে আজি দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জম্মু-কাশ্মীৰৰ শ্ৰীনগৰৰ শ্বেৰ-এ-কাশ্মীৰ আন্তঃৰাষ্ট্ৰীয় অভিৰ্ৰতন কেন্দ্ৰত আয়োজিত মূল অনুষ্ঠানত অংশগ্ৰহণ।

২। আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত যোগ দিৱসৰ কাৰ্যসূচীত ৰাজ্যপাল গুলাবচান্দ কাটাৰীয়া আৰু শোণিতপুৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অংশ গ্ৰহণ।

৩। ৰাজ্যৰ ২২ খন জিলাৰ ৪৭খন ৰাজহচক্ৰৰ এহেজাৰ ৩০০ খনৰো অধিক গাঁও বানৰ কবলত।

৪। শক্তিপীঠ কামাখ্যা ধামত কাইলৈ অম্বুবাচী মেলা অনুষ্ঠিত।

*আৰু*

৫। আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ এখন খেলত ভাৰতৰ হাতত আফগানিস্তান ৪৭ ৰানত পৰাস্ত।

০০০০০০০

সমগ্ৰ দেশতে আজি দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জম্মু-কাশ্মীৰৰ শ্ৰীনগৰৰ শ্বেৰ-এ-কাশ্মীৰ আন্তঃৰাষ্ট্ৰীয় অভিৰ্ৰতন কেন্দ্ৰত আয়োজন কৰা মূল অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই উপলক্ষে সমাজৰ বিভিন্ন শ্ৰেণীৰ সাত হেজাৰৰো অধিক লোকে শ্ৰীনগৰৰ ডাল হ্ৰদৰ পাৰত প্ৰধানমন্ত্ৰীৰ সৈতে যোগাভ্যাস কৰে। জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহা, কেন্দ্ৰীয় মন্ত্ৰী প্ৰতাপৰাও গণপতৰাও যাধৱ আৰু আন ভালেমান বিশিষ্ট ব্যক্তি অনুষ্ঠানত উপস্থিত থাকে। বিদেশী দূতাবাস আৰু ভাৰতীয় মিছনসমূহেও যোগৰ ব্যাপক প্ৰভাৱক প্ৰতিফলিত কৰি এই দিৱসত অংশ লয়।

যোগ দিৱসৰ কাৰ্যসূচীত অংশ লৈ প্ৰধানমন্ত্ৰীয়ে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে বিশ্বত যোগাভ্যাস কৰা লোকৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পোৱা বুলি মন্তব্য কৰে। যোগে প্ৰদান কৰা ধনাত্মক শক্তিৰ বাবে বিশ্বৰ বিভিন্ন দেশৰ লোকে যোগাভ্যাসক আকোৱালি লোৱা বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ২০১৫ চনত যোগে আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰাৰ কথা সোঁৱৰণ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে তুৰ্কমেনিস্তানত পৰম্পৰাগত ঔষধ আৰু যোগকেন্দ্ৰ স্থাপন কথাও উল্লেখ কৰে।

ব্যক্তিগত কল্যাণ আৰু সামাজিক সমন্বয় উভয়ৰে প্ৰসাৰৰ ক্ষেত্ৰত যোগৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ ওপৰত আলোকপাত কৰি এই বছৰ নিজৰ লগতে সমাজৰ বাবে যোগ বিষয়বস্তুৰে এই দিৱস উদযাপন কৰা হৈছে। যোগাভ্যাসৰ জৰিয়তে গোলকীয় স্বাস্থ্য আৰু সুস্থ জীৱনশৈলীৰ প্ৰসাৰৰ উদ্দেশ্যে বাৰ্তা বহন কৰা হাজাৰ হাজাৰ অংশগ্ৰহণকাৰী ঐক্যবদ্ধ কৰাই এই অনুষ্ঠানৰ মূল উদ্দেশ্য।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তৃণমূল পৰ্যায়ৰ জনসাধাৰণৰ অংশগ্ৰহণ আৰু গ্ৰাম্যাঞ্চলৰ যোগৰ প্ৰসাৰৰ হকে কাম কৰিবলৈ গাঁওসভাৰ মুৰব্বীসকললৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। ২০১৫ চনত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ

শুভাৰম্ভ কৰাৰে পৰা প্ৰধানমন্ত্ৰীয়ে যোগাভ্যাসৰ প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। শ্ৰী মোদীয়ে দিল্লীৰ কৰ্তব্য পথ, ছণ্ডীগড়, ডেৰাডুন, ৰাঁচী, লক্ষ্ণৌ, মহীশুৰ আৰু নিউয়ৰ্কত থকা ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়সহ বিশ্বৰ বিভিন্ন প্ৰসিদ্ধ স্থানত যোগ সমাৰোহত অধ্যক্ষতা কৰিছে।

০০০০০০০

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে ৰাজ্যতো আজি আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হৈছে। এই উপলক্ষে গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত যোগ দিৱসৰ কাৰ্যসূচীত ৰাজ্যপাল গুলাবচান্দ কাটাৰীয়াই অংশ গ্ৰহণ কৰে। ইপিনে, শোণিতপুৰত অনুষ্ঠিত যোগ দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অংশ গ্ৰহণ কৰে। যোগ দিৱসৰ কাৰ্যসূচীত অংশ লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, নিয়মিত যোগাভ্যাস শৰীৰৰ লগতে ব্যক্তিৰ মনৰো উৎকৰ্ষ সাধন কৰে। লগতে সুস্থ আৰু নিৰোগী জীৱন যাপনৰ বাবে অভিভাৱকসকলক নিজৰ সন্তানকো যোগসাধনাৰ বাবে অনুপ্ৰাণিত কৰিবলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। এই অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ লগতে মন্ত্ৰী কেশৱ মহন্ত, অশোক সিংহলসহ কেইবাগৰাকী বিধায়কে অংশ লয়। ইপিনে তিনিচুকীয়াত অনুষ্ঠিত যোগ দিৱসৰ কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশ লৈ সকলোকে যোগাভ্যাস গঢ়ি তুলিবলৈ আহ্বান জনায়। বজালী জিলাত মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, গোলাঘাট জিলাত সাংসদ কামাখ্যা প্ৰসাদ তাছা, ধেমাজি জিলাত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে যোগ দিৱসৰ কাৰ্যসূচীত অংশ লয়। ওদালগুৰি জিলাত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, কামৰূপত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে যোগ দিৱসৰ কাৰ্যসূচীত অংশ লয়। লখিমপুৰত অনুষ্ঠিত যোগ দিৱসৰ কাৰ্যসূচীত মন্ত্ৰী পীযুষ হাজৰিকাই অংশ লোৱাৰ লগতে ডিব্ৰুগড় জিলাত মন্ত্ৰী বিমল বৰাই অংশগ্ৰহণ কৰে। নলবাৰীত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, বাক্সাত মন্ত্ৰী নন্দিতা গাৰ্লোচা আৰু কোকৰাঝাৰত বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিলৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে এই কাৰ্যসূচীত অংশ লয়। বিশ্বনাথত সাংসদ ৰণজিৎ দত্ত, বঙাইগাঁৱত সাংসদ ফণীভূষণ চৌধুৰী, দৰঙত সাংসদ দিলীপ শইকীয়া আৰু গোৱালপাৰাত সাংসদ বিজুলী কলিতা মেধিয়ে যোগ দিৱসৰ কাৰ্যসূচীত অংশ লয়। ধুবুৰী জিলা প্ৰসাশনৰ সহযোগত আৰু ৰাষ্ট্ৰীয় আয়ুষ মিছনৰ উদ্যোগত যোগ দিৱসৰ কাৰ্যসূচী পালন কৰা হয়। জিলা আয়ুক্ত দিবাকৰ নাথে উদ্বোধন কৰা অনুষ্ঠানত সমূহীয়া যোগাভ্যাসৰ লগতে বিশেষ যোগ প্ৰদৰ্শন কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত জিলাখনৰ বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। ইপিনে, চৰাইদেউ জিলা প্ৰশাসনৰ উদ্যোগত জিলা ৰাজহুৱা খেলপথাৰ ষ্টেডিয়ামত অনুষ্ঠিত যোগ দিৱসৰ কাৰ্যসূচী মন্ত্ৰী যোগেন মহনে অংশ লয়। কাৰ্বি আংলং জিলাৰ ডিফু-কাছা ইণ্ডোৰ ষ্টেডিয়ামত অনুষ্ঠিত সমূহীয়া যোগ কাৰ্যসূচীত কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে অংশ লয়। বৰপেটা জিলা গ্ৰামোন্নয়ন অভিকৰণৰ প্ৰেক্ষাগৃহতো বৰপেটা জিলা প্ৰশাসনৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হয়।

০০০০০০০

**নিজৰ লগতে সমাজৰ বাবে যোগ-** এই বিষয় বস্তুৰে এইবাৰ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হৈছে। ব্যক্তিৰ, শাৰীৰিক, মানসিক সুস্থতা আৰু আধ্যাত্মিক বিকাশৰ লক্ষ্যৰে উদযাপন কৰা যোগ দিৱসৰ সৈতে সংগতি ৰাখি বিভিন্ন স্থানত যোগ অনুশীলনৰ শিবিৰ আৰু যোগৰ প্ৰতিযোগিতাও অনুষ্ঠিত হৈছে। পৰিৱৰ্তিত জীৱনশৈলী, মানসিক চাপ দূৰীকৰণ আৰু শৰীৰটো সুস্থ কৰি ৰখাৰ ক্ষেত্ৰত যোগৰ ভূমিকা অপৰিসীম। যোগাভ্যাসৰ গুৰুত্ব সন্দৰ্ভত যোগ বিশেষজ্ঞ লিলি ঘোষে এইদৰে কয় –

**-ভইচ-**

০০০০০০০

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। আকাশবাণীৰে হোৱা কথা-বতৰাত কোবিন্দে যোগসাধনাই জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে বিশ্বৰ বিভিন্ন দেশৰ মাজত যোগসূত্ৰ স্থাপন কৰে বুলি মন্তব্য আগবঢ়ায়। যোগে শৰীৰ, মন আৰু আত্মাক একত্ৰিত কৰে বুলিও প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। যোগ কোনো বিশেষ ধৰ্ম অথবা বিশ্বাসৰ লগত জড়িত নাই বুলিও তেওঁ প্ৰকাশ কৰে।

০০০০০০০

ৰাজ্যৰ বান পৰিস্থিতি নিয়ন্ত্ৰণাধীন বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেজপুৰত কালি মন্তব্য কৰে। তেওঁ কয় যে ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে ক্ষিপ্ৰতাৰে কাম কৰি আছে। নেৰানেপেৰা বৰষুণৰ বাবে ৰাজ্যৰ কেইবাখনো নৈ-উপনৈৰ জলপৃষ্ঠ বিপদসীমা অতিক্ৰম কৰিলেও বান পৰিস্থিতি নিয়ন্ত্ৰণাধীন বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ৰাজ্যত শেহতীয়াকৈ ২২ খন জিলা বানৰ কবলত পৰিছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা তথ্য অনুসৰি এই পৰ্যন্ত ৬৭টা ৰাজহ চক্ৰৰ এহেজাৰ ৩০০খনৰো অধিক গাঁৱৰ ৪ লাখ ৯ হাজাৰৰো অধিক লোক বানৰ কবলত পৰিছে। প্ৰশাসনে স্থাপন কৰা ১০৫ টা আশ্ৰয় শিবিৰত ১৪ হাজাৰৰো অধিক লোকে আশ্ৰয় গ্ৰহণ কৰি আছে। প্ৰবল বৃষ্টিপাতৰ ফলত ব্ৰহ্মপুত্ৰকে ধৰি ৰাজ্যৰ বিভিন্ন নৈ-উপনৈৰ পানী বৃদ্ধি পোৱাত ৰাজ্যৰ ন-ন অঞ্চল প্লাৱিত হৈছে। ইপিনে, নগৰ অঞ্চলত হোৱা বানত কোকৰাঝাৰ, কামৰূপ, কাছাৰ, কামৰূপ মহানগৰ আৰু নলবাৰী জিলাত এহেজাৰতকৈ অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। প্ৰশাসনে এই জিলাকেইখনত স্থাপন কৰা দুটা আশ্ৰয় শিবিৰত ২৩৫ জনৰো অধিক লোকে আশ্ৰয় লৈ আছে। ইপিনে, বানৰ ফলত বিভিন্ন অঞ্চলত পথ যোগাযোগ আৰু আন্তঃগাঁথনিৰো ক্ষতি হৈছে। নামনি অসমৰ ধুবুৰী, তামুলপুৰ, দৰং আদি জিলাত বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। গোৱালপাৰা জিলাৰ দুধনৈ আৰু বালিজানা ৰাজহ চক্ৰ এলেকাত বান পৰিস্থিতি কিছু উন্নত হোৱাৰ বিপৰীতে লক্ষীপুৰ আৰু মাটিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত গাঁওসমূহ প্লাৱিত হৈছে। জিলাখনত ৯৮ খন ৰাজহ গাঁও জলমগ্ন অৱস্থাত আছে। প্লাৱিত গাঁৱৰ সংখ্যা লক্ষীপুৰ ৰাজহ চক্ৰত ৪৫ খন আৰু মাটিয়া ৰাজহ চক্ৰত ৪৩ খনলৈ বৃদ্ধি পাইছে। বৰপেটা জিলাৰ পাকা বেতবাৰী সমষ্টিৰ বিভিন্ন অঞ্চল বানৰ কবলত পৰিছে। পূৰ্বে প্ৰৱল বৰষুণৰ বাবে ঠায়ে ঠায়ে কৃত্ৰিম বানৰ সৃষ্টি হৈছে যদিও জিলাখনৰ কালদিয়া নৈৰ বাঢ়নি পানীয়ে বান পৰিস্থিতি জটিল কৰি তুলিছে। কালদিয়া নৈৰ বাঢ়নি পানীয়ে সৰুক্ষেত্ৰীৰ বিস্তীৰ্ণ অঞ্চল বুৰাই পেলাইছে। আজি বাঢ়নি পানী বৃদ্ধি পোৱাত আন কেইবাখনো গাঁও জলমগ্ন হৈছে। কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে কালি বজালীত বানপীড়িত অঞ্চল পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। বানত ক্ষতিগ্ৰস্ত লোকক সাহায্য প্ৰদান আৰু প্ৰয়োজনীয় সহায় কৰাৰ বাবে জিলা আয়ুক্তক মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে।

দৰং জিলাৰ মঙলদৈ ৰাজহ চক্ৰৰ অন্তৰ্গত কবিকাৰা গাঁৱত মথাউৰি ছিগি বিস্তীৰ্ণ অঞ্চল প্লাৱিত হৈছে। শাকতোলা নৈৰ বাঢ়নি পানীয়ে মথাউৰি ছিগি পেলোৱাত সেই অংশৰে পানী সোমাই খেতি-পথাৰ, বাট-পথ বুৰাই পেলাইছে। অৱশ্যে প্ৰশাসনে তৎপৰতাৰে মথাউৰি ছিগা অংশৰ মেৰামতিৰ কাম আৰম্ভ কৰিছে।

০০০০০০০

শক্তিপীঠ কামাখ্যা ধামত কাইলৈৰপৰা অম্বুবাচী মেলা অনুষ্ঠিত হ'ব। এই মেলা নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে ৰাজ্য চৰকাৰ, কামৰূপ মহনাগৰ জিলা প্ৰশাসন আৰু অম্বুবাচী মহাযোগ পৰিচালনা সমিতিয়ে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। পৰিচালনা সমিতিয়ে প্ৰকাশ কৰা মতে কাইলৈ পুৱা ৮ বাজি ৪৩ মিনিট ৩৯ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হোৱাৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে বন্ধ হৈ পৰিব। ২৬ জুনত দেৱীক পৰম্পৰাগতভাৱে স্নান আৰু নিত্য পূজাৰ পাছত পুৱা ৬ বজাত মন্দিৰৰ দুৱাৰ মুকলি কৰা হ'ব। সমিতিয়ে প্ৰকাশ কৰা মতে আজিৰেপৰা ৩০ জুনলৈ কোনোধৰণৰ ভি আই পি, ভি ভি আই পি প্ৰৱেশ পত্ৰৰ ব্যৱস্থা নাথাকিব। একেদৰে ২৬ জুনৰ পৰা ২৭ জুনলৈ বিশেষ টিকটৰ ব্যৱস্থা নাথাকিব। তদুপৰি ভক্তসকলক মেলাৰ কেইদিন নিশা ৮ বজা পৰ্যন্তহে নীলাচল পাহাৰত প্ৰৱেশ কৰিবলৈ দিয়া হ'ব। অৱশ্যে পাণ্ডুৰ পৰা কামাখ্যা মন্দিৰলৈ যোৱা পথটো ভক্তসকলৰ বাবে নিশা ৯ বজা পৰ্যন্ত খোলা থাকিব। অম্বুবাচী মহোৎসৱৰ প্ৰতি লক্ষ্য ৰাখি সমগ্ৰ নীলাচল পাহাৰক ধূমপানমুক্ত অঞ্চল হিচাপে

ঘোষণা কৰা হৈছে। সুৰাপান অথবা অন্য নিচাযুক্ত দ্ৰব্য সেৱন কৰা কোনো লোকক দেৱালয়ৰ ভিতৰত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব। মহোৎসৱৰ প্ৰতি লক্ষ্য ৰাখি আৰক্ষী প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে প্ৰকাশ কৰা মতে এইবেলি মেলাত অংশ লোৱা ভক্তসকলৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি কেইবাতৰপীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

ইপিনে, কামৰূপ মহানগৰ জিলাৰ শিক্ষা বিভাগে বিদ্যালয়সমূহলৈ অম্বুবাচী মেলাৰ সময়ত পৰীক্ষা অনুষ্ঠিত নকৰিবলৈ নিৰ্দেশ জাৰি কৰিছে। জিলা আয়ুক্তৰ নিৰ্দেশমৰ্মে বিদ্যালয়সমূহৰ পৰিদৰ্শক দীপিকা চৌধুৰীয়ে পৰহিৰে পৰা ২৬ জুনলৈ কোনোধৰণৰ পৰীক্ষা অনুষ্ঠিত নকৰিবলৈ বিদ্যালয়সমূহক আহ্বান জনাইছে। জিলাখনৰ অন্তৰ্গত সকলো চৰকাৰী, প্ৰাদেশিকীকৃত আৰু ব্যক্তিগত বিদ্যালয়লৈ এই জাননী জাৰি কৰা হৈছে। কোনো বিদ্যালয়ে যদি অম্বুবাচী মেলাৰ দিনকেইটাত পৰীক্ষা দিন ধাৰ্য কৰিছে তেন্তে সেয়া সাল-সলনি কৰিবলৈ জাননীখনত উল্লেখ কৰা হৈছে। অম্বুবাচী মেলালৈ লাখ লাখ ভক্তৰ সমাগমৰ ফলত ছাত্ৰ-ছাত্ৰীৰ যাতে কোনো অসুবিধা নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি এই নিৰ্দেশনা জাৰি কৰা হৈছে।

০০০০০০০

মানস ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই পৰ্যটকৰ বাবে কালিৰেপৰা ৰাষ্ট্ৰীয় উদ্যানখনত জীপ চাফাৰী বন্ধ কৰিছে। প্ৰতিকূল বতৰৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই এই সিদ্ধান্ত গ্ৰহণ কৰে। পূৰ্বে ৰাষ্ট্ৰীয় উদ্যানখনৰ বাঁহবাৰী সংমগুলৰ মুখ্য প্ৰৱেশদ্বাৰৰ পৰা মথনগুৰিলৈ পৰ্যটকৰ বাবে জীপ চাফাৰীৰ সময়সীমা ২০ জুনলৈ খোলা ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। কিন্তু শেহতীয়া বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি কালিৰেপৰা ৰাষ্ট্ৰীয় উদ্যানখনত জীপ চাফাৰী বন্ধ কৰা হয়। উল্লেখযোগ্য যে ২০২৩-২৪ পৰ্যটন বৰ্ষত মানস ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই ১ কোটি ৩০ লাখ টকা ৰাজহ সংগ্ৰহ কৰিছে।

০০০০০০০

অসম লোকসেৱা আয়োগৰ ধনৰ বিনিময়ত চাকৰি লোৱাৰ গোচৰত বিশেষ তদন্তকাৰী গোটে কালি চাৰিজন অভিযুক্তৰ বিৰুদ্ধে বিশেষ ন্যায়াধীশৰ আদালতত এখন অভিযোগনামা দাখিল কৰে। তদন্তকাৰী গোটে নিলম্বিত অতিৰিক্ত আৰক্ষী আয়ুক্ত সুকন্যা দাস, কৰ অধীক্ষক ৰাহিদা বেগম, অসম লোকসেৱা আয়োগৰ প্ৰাক্তন প্ৰধান পৰীক্ষা নিয়ন্ত্ৰক এ নন্দবাবু সিন্‌হা আৰু সহকাৰী নিয়োগ বিষয়া ৰাকেশ দাসৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰে।

০০০০০০০

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আয়ে ২০২৪ বৰ্ষৰ বিশ্ববিদ্যালয় অনুদান আয়োগৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ পৰীক্ষা ইউ জি চি নেটৰ সংক্ৰান্তত এটা গোচৰ ৰুজু কৰিছে। শিক্ষা বিভাগৰ সচিবৰ পৰা লাভ কৰা অভিযোগ মৰ্মে ভাৰতীয় দণ্ডবিধিৰ ১২০-খ আৰু ৪২০ ধাৰাৰ অধীনত অজ্ঞাত ব্যক্তিৰ বিৰুদ্ধে এই গোচৰ ৰুজু কৰা হৈছে। চি বি আয়ে প্ৰকাশ কৰা মতে অভিযোগত বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা লাভ কৰা সংকেটৰ ভিত্তিত পৰীক্ষাৰ সততাৰ সৈতে আপোচ কৰা হৈছে যেন প্ৰতীত হৈছে। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই যোৱা ১৮ জুনত দেশৰ বিভিন্ন চহৰত এই পৰীক্ষা অনুষ্ঠিত কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৩০ জুনত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাৱ বিনিময় কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১১ সংখ্যক খণ্ড। শ্ৰীমোদী একেৰাহে তৃতীয়টো কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হ'বলগীয়া এইটো হ'ব মন কী বাতৰ প্ৰথম খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই খণ্ডৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ

অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৮ জুন পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী আৰু দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানৰ ঠিক পাছতেই আকাশবাণীয়ে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

0000000

ভাৰতে যোৱা নিশা বাৰবাডোছৰ ব্ৰীজটাউনত অনুষ্ঠিত আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ এখন খেলত আফগানিস্তানক ৪৭ ৰানত পৰাস্ত কৰে। আফগানিস্তানে ১৮২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত  আটাইকেইটা উইকেট হেৰুৱাই ১৩৪ ৰানহে কৰিবলৈ সমৰ্থ হয়।

প্ৰতিযোগিতাত আজিৰ দুখন খেলৰ প্ৰথমখনত অষ্ট্ৰেলিয়া বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। খেলখনত বাংলদেশে প্ৰথমে বেট ধৰি অষ্ট্ৰেলিয়াক ১৪১ ৰানৰ বিজয় লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। আমালৈ বাতৰি অহাৰ পৰলৈকে অষ্ট্ৰেলিয়াই ৬ অভাৰত ১টা উইকেট হেৰুৱাই ৬৬ ৰান কৰি খেলি আছিল। ইফালে ছেইণ্ট লুছিয়াত হ'বলগীয়া দ্বিতীয়খন খেলত ইংলেণ্ড দক্ষিণ আফ্ৰিকাৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

0000000

## Newspaper Review (21-06-2024, Morn.)-

সমগ্ৰ দেশ তোলপাৰ কৰি ৰখা চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ সৰ্বভাৰতীয় প্ৰৱেশ পৰীক্ষা 'নেচনল এলিজিবিলিটি কাম এনট্ৰেন্স টেষ্ট - নীট ইউ জি চি কেলেংকাৰীৰ বিহাৰ আৰক্ষীৰ অৰ্থনৈতিক অপৰাধ প্ৰতিৰোধ শাখাই অনুসন্ধান অব্যাহত ৰাখিছে।  এই অনুসন্ধানত লাভ কৰা চাঞ্চল্যকৰ তথ্যৰ বাতৰিটো 'প্ৰশ্ন-উত্তৰ ফাদিলৰ মাষ্টাৰ মাইণ্ডৰ বিস্ফোৰক স্বীকাৰোক্তি, ৩০-৩২ লাখত বিক্ৰী নীটৰ প্ৰশ্নকাকত' শীৰ্ষক শিৰোনামেৰে **নিয়মীয়া বাৰ্তা** কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। সুৰা কেলেংকাৰী গোচৰত অভিযুক্ত হৈ সম্প্ৰতি কাৰাগাৰত থকা দিল্লীৰ মুখ্য মন্ত্ৰী তথা আম আদমি পাৰ্টীৰ মুৰব্বী অৰবিন্দ কেজৰিৱালৰ জামিন দিল্লীৰ ৰাউজ এভিনিউ আদালতে জামিন মঞ্জুৰ কৰিছে। এই বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে 'দিল্লীৰ ৰাউজ এভিনিউ আদালতে দিলে জামিন' আজি মুকলি আকাশৰ তললৈ আহিব কেজৰিৱাল' শীৰ্ষক শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

একেটা বাতৰিকে **অসমীয়া খবৰ** কাকতে 'এনফৰ্চমেণ্টৰ তদন্তত তথ্য-প্ৰমাণৰ অভাৱ বুলি ন্যায়াধীশৰ স্পষ্ট অভিমত, মুখ্যমন্ত্ৰী কেজৰিৱালৰ জামিন মঞ্জুৰ', **দৈনিক জনমভূমি** কাকতে 'জামিনত মুক্ত কেজৰিৱাল - আতচবাজীৰে আনন্দ প্ৰকাশ আপ কৰ্মীৰ' শিৰোনামেৰে বাতৰিটো প্ৰকাশ কৰিছে। স্নাতক পৰ্যায়ৰ নামভৰ্তিৰ সমগ্ৰ প্ৰক্ৰিয়াৰ ডিজিটেলাইজড কৰাৰ বাবে শিক্ষা বিভাগে মুকলি কৰা সমৰ্থ এপটোৰে প্ৰদৰ্শন কৰা সামঞ্জস্যহীনতাৰ পৰিণতিত বহু মহাবিদ্যালয়ত নামভৰ্তি প্ৰক্ৰিয়া স্তব্ধ হয়। এই বাতৰিটো 'সমৰ্থ এপছৰ বেমেজালিত স্তব্ধ নামভৰ্তি' শীৰ্ষক শিৰোনামেৰে **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পষ্ঠাৰ মুখ্য বাতৰিৰ স্থান দিছে। 'সমৰ্থ পৰ্টেলৰ বেমেজালি নে ৰাজ্যৰ শিক্ষা বিভাগৰ কেৰমতালি, মেধাৰ তালিকা প্ৰকাশৰ দিনাই নামভৰ্তি' একেটা বাতৰিকে **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। 'ৰাজ্যত বান পৰিস্থিতিয়ে এতিয়াও ভয়াৱহ ৰূপ ধাৰণ কৰি আছে। এই বাতৰিটো **The Assam Tribune** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। 'নীট-নেটক লৈ তোলপাৰ দেশ' এই বাতৰিটো **আমাৰ অসম** কাকতৰ লগতে আন বাতৰি কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে। বিগত ৩ দিনত উত্তৰ-পূবত ১ লাখৰো অধিক বজ্ৰপাতৰ ৰেকৰ্ড, অসমত ৩৩,৫২৮ টা বিজুলী-ঢেৰেকণিৰ ঘটনা' এই বাতৰিটো **The Sentinel** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – কাইলৈৰ পৰা কামাখ্যা ধামত অম্বুবাচী, জোনাইৰ ব্ৰহ্মপুত্ৰৰ পাৰত নিৰ্মাণ হ'ব ২০ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰি, মক্কাত গৰমত প্ৰাণ হেৰুৱালে ৯০ জন ভাৰতীয়ই, বিষ্ণু ৰাভা দিৱস উপলক্ষে তেজপুৰত ৰাজ্য চৰকাৰৰ কেন্দ্ৰীয় অনুষ্ঠান ইত্যাদি। এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

0000000

**সমাপ্ত**